অধ্যায় ৯ ঃ বীমাৰ নিয়ামক ৰূপৰেখা (REGULATORY FRAMEWORK FOR INSURANCE)

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ বীমাৰ ধাৰণা আৰু গুৰুত্ব
৯.৪ বীমাৰ উৎপত্তি আৰু বিকাশ
৯.৫ বীমাৰ মৌলিক সিদ্ধান্তসমূহ
৯.৬ দ্বৈত বীমা আৰু পুনৰ বীমা
৯.৭ জীৱন বীমাৰ ধাৰণা
৯.৮ সমুদ্ৰী বীমাৰ ধাৰণা
৯.৯ অগ্নি বীমাৰ ধাৰণা আৰু বৈশিষ্ট্যসমূহ
৯.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.১১ অধিক জানিবলৈ
৯.১২ অগ্ৰগতিৰ খতিয়ান
৯.১৩ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বীমাৰ ধাৰণা আৰু গুৰুত্বৰ বিষয়ে বিস্তৃত আলোচনা কৰিবলৈ সক্ষম হ'ব
- ভাৰতবৰ্ষত বীমাৰ উৎপত্তি আৰু বিকাশৰ পৰ্যায়সমূহ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- বীমাৰ সিদ্ধান্তসমূহ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- বীমা কোম্পানী আৰু বীমাকৃত ব্যক্তিৰ অধিকাৰসমূহ আলোচনা কৰিবলৈ সক্ষম হ'ব
- দুতৰপীয়া বীমা আৰু পুনৰ বীমাৰ মাজত পাৰ্থক্য কৰিব পাৰিব।
- জীৱন বীমা, সমুদ্ৰী বীমা আৰু অগ্নি বীমাৰ ধাৰণা আৰু গুৰুত্ব ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

৯.২ পৰিচয় (INTRODUCTION)

আমাৰ দৈনন্দিন জীৱনত আমি সকলোৱে বিভিন্ন ধৰণৰ বিপদাশংকাৰ পূৰ্বানুমান কৰো অথবা মুখামুখি হ'বলগীয়া হয়। কোনো মানুহে ভৱিষ্যতে হ'ব পৰা লোকচানৰ পূৰ্বাৱলোকন কৰিব নোৱাৰে। আমি ৰাস্তাত খোজ কাঢ়োতে, অফিচ, পথাৰ, দোকান ইত্যাদিত কাম কৰোতে

বিভিন্ন ধৰণৰ বিপদাশংকাৰ পূৰ্বানুমান কৰো। ঠিক তেনেদৰে, বানপানী, ভূমিকম্প, মহামাৰী, জুই ইত্যাদিৰ পৰাও লোকচান হ'ব পাৰে। প্ৰত্যেক বিপদাশংকাই বিভিন্ন ধৰণৰ লোকচান কঢ়িয়াই আনিব পাৰে। য'ত অনিশ্চয়তা থাকে, তাত ইটো নহ'লে সিটো লোকচান হোৱাৰ সম্ভাৱনা থাকে। যেতিয়া লোকচানটোৰ পৰিমাণ সৰু হয় মানুহ এজনে বহন কৰাত অসুবিধা নহয়। কিন্তু, যেতিয়া সেই লোকচানৰ পৰিমাণ ডাঙৰ হয়, মানুহজনে নিজস্বভাৱে বহন কৰিব পৰা অৱস্থাত নাথাকিব পাৰে। তেনেকুৱাধৰণৰ অনিশ্চিত ঘটনাসমূহৰ কাৰণে আগতিয়াকৈ ব্যৱস্থা গ্ৰহণ কৰাটো সম্ভৱ। সেই কাৰণে যিসকলে তেনেকৈ ক্ষতিগ্ৰস্ত হয় তেওঁলোকক সহায় কৰিবলৈ কৌশল আৰু পৰিকল্পনা গ্ৰহণ কৰাটো এটি ইতিবাচক কাম। বীমা তেনেকুৱাই এটা কৌশল যিয়ে মানুহক তেওঁলোকে সন্মুখীন হ'ব পৰা বিভিন্ন ধৰণৰ বিপদাশংকাৰ পৰা ৰক্ষা কৰে।

৯.৩ বীমাৰ ধাৰণা আৰু গুৰুত্ব (CONCEPT AND IMPORTANCE OF INSURANCE)

সকলোধৰণৰ বীমাৰেই মূল উদ্দেশ্য হ'ল ক্ষতিগ্ৰস্ত মানুহবিলাকক সহায়ৰ হাত আগবঢ়োৱা। প্ৰায় সকলোধৰণৰ লোকচান আমি টকাৰ মাধ্যমত চিনাক্ত কৰিব পাৰো। লোকচান হোৱাৰ বিপদাশংকাক আমি বাধা দিব নোৱাৰো। কিন্তু লোকচানটো আমি বহুকেইজন সন্মত ব্যক্তিৰ মাজত বিতৰণ কৰি দিব পাৰো। বীমা একধৰণৰ আশ্বাস যে যদি কোনো বিশেষধৰণৰ ঘটনা সংঘটিত হয়, তেন্তে বীমাকৃত ব্যক্তিক ক্ষতিপূৰণ দিয়া হ'ব। যিজন ব্যক্তিয়ে তেনেকুৱাধৰণৰ বিপদাশংকাৰ পৰা সুৰক্ষা বিচাৰে, তেওঁক বীমাকৃত বুলি কোৱা হয় আৰু যিয়ে তেনেকুৱা সুৰক্ষা প্ৰদান কৰে তেওঁক বীমাকাৰক বা বীমা কোম্পানী বুলি কোৱা হয়। বীমা কোম্পানীয়ে সুৰক্ষা দিয়াৰ বিনিময়ত বীমাকৃতৰ পৰা যি ধন সংগ্ৰহ কৰে তাকেই 'প্ৰিমিয়া' বুলি কোৱা হয়। বীমা চুক্তিৰ চৰ্তসমূহ থকা নথিপত্ৰ বা দস্তাবেজক 'প'লিচি' বা 'বীমা প'লিচি' বুলি কোৱা হয়।

এইটো এটা চিৰসত্য পৰিঘটনা যে, যি সৃষ্টি হৈছে সেইটো এদিন ধ্বংস হ'বই। ধ্বংসৰ সময় বা ভৱিষ্যতে হ'ব পৰা লোকচানৰ কোনেও আগতীয়াকৈ অনুমান কৰিব নোৱাৰে। প্ৰত্যেক বিপদাশংকাই ইটো নহ'লে সিটো ধৰণৰ লোকচান লৈ আহে। বিপদাশংকা আমি নাইকিয়া কৰিব নোৱাৰো কিন্তু লোকচান আমি নাইকিয়া কৰিব পাৰো। মানুহক অনিশ্চিত লোকচানৰ পৰা ৰক্ষা কৰাৰ হেপাহ বা ইচ্ছাই হ'ল বীমা ব্যৱসায়ৰ অস্তিত্বৰ মূল কাৰণ।

বীমাৰ মুখ্য কাম হ'ল বহুকেইজন সন্মত আৰু সহযোগী ব্যক্তিসকলৰ মাজত লোকচানৰ প্ৰসাৰণ বা বিতৰণৰ জৰিয়তে যৌথ পুঁজিত বৰঙণি কৰি বীমাকৃত ব্যক্তিক তেওঁ সন্মুখীন হ'ব পৰা বিভিন্নধৰণৰ বিপদাশংকাৰ পৰা ৰক্ষা কৰা।

উদাহৰণ (Illustration) :

এখন চহৰত ৫০০জন মানুহৰ লগত গাড়ী আছে। প্ৰত্যেক গাড়ীৰ মূল্য ৩,০০,০০০ টকাকৈ নিৰ্ধাৰণ কৰিব পাৰি। প্ৰত্যেক বছৰে চুৰী হোৱাৰ বাবে এখনকৈ গাড়ীৰ লোকচান হয় যদি প্ৰত্যেক ৫০০ গৰাকী গাড়ীৰ মালিক একেলগে আগবাঢ়ি আহে আৰু গাইপতি বছৰি ৬ টকাকৈ বৰঙণি আগবঢ়ায়, তেন্তে যৌথ পুঁজিত বছৰি ৩,০০,০০০ টকা জমা হ'ব। সেই টকা

প্ৰত্যেক বছৰে এজন এজন ক্ষতিগ্ৰস্ত গাড়ীৰ মালিকক দিবলৈ পৰ্যাপ্ত হ'ব। এনেদৰে এজন বৰঙণি আগবঢ়োৱা গাড়ীৰ মালিকৰ বিপদাশংকা ৫০০ জনৰ মাজত বিতৰণ কৰা হৈছে।

বীমাৰ সংজ্ঞা (Definition of Insurance) ঃ

বীমাৰ সংজ্ঞাক আমি দুটা ভাগত বিভক্ত কৰিব পাৰোঁ ঃ

১) কাৰ্যকৰী সংজ্ঞা (Functional definitions) ঃ এলেন চি মেয়াৰচনৰ মতে 'বীমা হ'ল অৰ্থনৈতিক লোকচানৰ নিৰ্দিষ্ট বিপদাশংকাসমূহ বীমা কোম্পানীলৈ স্থানান্তৰ কৰাৰ এক কৌশল। যি বিপদাশংকাসমূহ অন্যথাই বীমাকৃত ব্যক্তিজনে বহন কৰিব লগা হ'লহেঁতেন।'

ডিছনেডল (Disnadle)ৰ মতে 'বীমা হ'ল কম সংখ্যক ব্যক্তিৰ লোকচান বহুকেইজন ব্যক্তিৰ মাজত বিতৰণ কৰাৰ এক আহিলা।

২) চুক্তি সম্বন্ধীয় সংজ্ঞা ঃ ই, ডৱলিউ পেটাৰচনৰ মতে, 'বীমা এক চুক্তি যাৰ দ্বাৰা এটা নিৰ্দিষ্ট বিনিময়ৰ বাবদত এটা ব্যক্তিগোটো আন এটা ব্যক্তিগোটৰ নিৰ্দিষ্ট বিপদাশংকা ধাৰণ কৰে আৰু এক আকস্মিক ঘটনা সংঘটিত হ'লে তেওঁক বা তেওঁৰ দ্বাৰা মনোনীত ব্যক্তিক স্থিৰ কৰিব পৰা মূল্য পৰিশোধ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।'

মেক্‌লিনৰ মতে 'বীমা হ'ল এজন ব্যক্তিয়ে অকলে সুচলভাৱে বহন কৰিব নোৱাৰা সম্ভাৱনীয় ভয়ংকৰ বিত্তীয় লোকচান বহুকেইজন ব্যক্তিৰ মাজত বিতৰণ কৰাৰ এক পদ্ধতি।'

বীমাৰ প্ৰকাৰ বহুত, যেনে—

১) সমুদ্ৰী বীমা
২) অগ্নি বীমা
৩) জীৱন বীমা
৪) বিবিধ বীমা



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ বীমাৰ সংজ্ঞা দিয়া।

.....

.....

বীমাৰ গুৰুত্ব (Importance of Insurance) ঃ

এজন মানুহ, তেওঁৰ পৰিয়াল আৰু সম্পত্তিবোৰ সদায়েই বিভিন্নধৰণৰ বিপদাশংকাৰ প্ৰতি উন্মুক্ত হৈ থাকে। বিপদাশংকাসমূহে লোকচান আনে। বিপদাশংকাসমূহে সৃষ্টি কৰা লোকচান হ্ৰাস কৰা বা লোকচানৰ প্ৰভাৱ হ্ৰাস কৰাৰ এক আহিলা হ'ল বীমা। ব্যক্তিগত লোকচানৰ ক্ষতিপূৰণ কৰিবৰ বাবে বীমাই পুঁজি সংগ্ৰীহিত কৰে। বীমাই অনিশ্চয়তাকৃত ঘটনা বা লোকচানৰ কাৰণ সংঘটি হোৱাত বাধা দিয়াৰ সঁজুলি নহয়। কিন্তু ই মানুহক তেনেকুৱা লোকচানৰ পৰা ক্ষতিপূৰণৰ জৰিয়তে সুৰক্ষা দিয়াৰহে সঁজুলি। বীমাৰ গুৰুত্ব আৰু ভূমিকা তলত আলোচনা কৰা হ'ল।

১) **বীমাই নিৰাপত্তা দিয়ে ঃ** বীমাই কোনো এক নিৰ্দিষ্ট ঘটনাত হোৱা লোকচানৰ বিৰুদ্ধে সুৰক্ষা আৰু নিৰাপত্তা প্ৰদান কৰে। জীৱন বীমাই মৃত্যু আৰু বৃদ্ধ বয়সৰ কষ্টৰ বিপৰীতে

সুৰক্ষা প্ৰদান কৰে। অগ্নিবীমাই জুইৰ পৰা হোৱা লোকচানৰ পৰা সুৰক্ষা কৰে তথা সমুদ্ৰীবীমাই সমুদ্ৰী জাহাজ আৰু তাত কঢ়িওৱা সামগ্ৰীৰ লোকচানৰ পৰা আমাক ৰক্ষা কৰে। ব্যক্তিগত দুৰ্ঘটনা আৰু অসুস্থতা বীমাত উপাৰ্জন কৰিব নোৱৰা ব্যক্তিক বিত্তীয় সুৰক্ষা প্ৰদান কৰা হয়। বেলেগে ধৰণৰ বীমাবিলাকতো কিছুমান আকস্মিক ঘটনাৰ পৰা হ'ব পৰা লোকচানৰ বিৰুদ্ধে নিৰাপত্তা প্ৰদান কৰা হয়।

২) **বীমাই ব্যৱসায়ৰ বিপদাশংকা অথবা লোকচান হ্ৰাস কৰে ঃ** ব্যৱসায়, বাণিজ্য আৰু উদ্যোগত বৃহৎ পৰিমাণৰ ধন নিয়োগ কৰা থাকে। সামান্য গাফিলতি বা অবহেলাৰ কাৰণে সেই গোটেই ধন-সম্পদ ধ্বংসস্তুপত পৰিণত হ'ব পাৰে। মানুহ এজনে তেওঁৰ জীৱন আৰু স্বাস্থ্যক লৈ কেতিয়াও নিশ্চিত হ'ব নোৱাৰে আৰু তেওঁৰ ওপৰত নিৰ্ভৰশীল ব্যক্তিসকলক এক দীঘলীয়া সময়লৈ প্ৰতিপালন কৰি থাকিব নোৱাৰে। বীমাৰ জৰিয়তে মানুহজনে তেওঁৰ উপাৰ্জন নিশ্চিত কৰিব পাৰে যিহেতু বীমা কোম্পানীয়ে মৃত্যু, জুইৰ পৰা হোৱা ক্ষতি, চুৰি, দুৰ্ঘটনা আৰু অন্যান্য দুৰ্যোগৰ সময়ত এক স্থিৰ মূল্য ক্ষতিপূৰণ হিচাপে দিয়ে।

৩) **বীমাই মনৰ শান্তি দিয়ে ঃ** বীমাই ভৱিষ্যতৰ অনিশ্চয়তাক লৈ মানুহৰ মনত উৎপন্ন হোৱা চিন্তা, ভয়, উদ্বেগ, হতাশা আৰু দুৰ্বলতা দূৰ কৰে। বীমাই বিভিন্ন ধৰণৰ বিপদাশংকাৰ পৰা হোৱা লোকচানসমূহৰ বিপৰীতে বিত্তীয় নিৰ্ভৰশীলতা প্ৰদান আৰু ক্ষতিপূৰণৰ প্ৰতিশ্ৰুতি দি মানুহৰ মনৰ শান্তি প্ৰদান কৰে আৰু মানুহক আৰু বেছিকৈ আৰু দক্ষতাৰে কাম কৰি যাবলৈ প্ৰেৰণ যোগায়।

৪) **জীৱন বীমাই সঞ্চয় কৰাৰ কাৰণে প্ৰেৰণা যোগায় ঃ** কিছুমান জীৱনবীমাত, বীমাকৃত ব্যক্তিয়ে নিয়মিতভাৱে প্ৰিমিয়াম দি থকাৰ বাধ্যবাধকতা থাকে আৰু বীমাৰ পলিচিৰ কালদৈর্ঘ্য শেষ নোহোৱালৈকে ইয়াক প্ৰত্যাহাৰ কৰিব নোৱাৰে। জীৱন বীমাই প্ৰিমিয়ামৰ জৰিয়তে নিয়মীয়া আৰু প্ৰণালীবদ্ধ সঞ্চয় কৰাৰ অভ্যাস গঢ়ি তোলে আৰু এক নিৰ্দিষ্ট সময়ৰ পিছত ই বীমাকৃত ব্যক্তিৰ আৱশ্যকীয় সঞ্চয়ৰ অংশ হৈ পৰে।

৫) **বীমাই দেশৰ অৰ্থনৈতিক বৃদ্ধি ত্বৰান্বিত কৰে ঃ** বীমাই সম্পদ আৰু মূলধনৰ লোকচানৰ বিপৰীতে সুৰক্ষা দি অনিশ্চয়তা দূৰ কৰে আৰু মানুহৰ মন শক্তিশালী কৰে। যাৰ ফলত আৰু অধিক সম্পদৰ উৎপাদন হয় আৰু দেশৰ অৰ্থনৈতিক বিকাশ সাধন হয়। বীমাই বিপদাশংকাই সৃষ্টি কৰা বিভিন্ন ধৰণৰ লোকচানৰ বিৰুদ্ধে সুৰক্ষা দিয়ে। ই বীমাকৃত ব্যক্তিৰ পৰা মূলধন সংগ্ৰীহিত কৰে আৰু দেশৰ বিকাশৰ কামত খটুৱাই। এনেদৰে, বীমাই দেশৰ অৰ্থনৈতিক বিকাশৰ কাৰণে প্ৰয়োজনীয় সকলো প্ৰয়োজনীয়তা পূৰণ কৰে।

৬) **বীমাই ঋণৰ সুবিধা প্ৰদান কৰে ঃ** বীমাকৃত ব্যক্তিয়ে বীমা প'লিচি বন্ধক হিচাপে লৈ সহজে ঋণ ল'ব পাৰে আৰু ইয়াৰ সূত বীমা কোম্পানীয়ে আদায় কৰা প'লিচিৰ নগদ মূল্যতকৈ অধিক হ'ব নোৱাৰে। বীমাকৃত ব্যক্তিৰ যদি মৃত্যু হয় তেতিয়া প'লিচিটো ঋণ আৰু সূত পৰিশোধ কৰাত ব্যৱহাৰ কৰিব পাৰি। ব্যৱসায়িক ব্যক্তিসকলে বীমাৰ নথিপত্ৰৰ

সহায়ত বেংকৰ পৰা ঋণ ল'ব পাৰে।

৭) **বীমাই মুদ্রাস্ফীতি হ্রাস কৰাত সহায় কৰে ঃ** মুদ্রাৰ অধিক যোগান আৰু কম উৎপাদন হোৱাৰ ফলত মুদ্রাস্ফীতি হয়। বীমাই দুই ধৰণে মুদ্রাস্ফীতিৰ চাপ হ্রাস কৰে। প্রথমতে, প্রিমিয়ামৰ জৰিয়তে ধন সংগ্রহ কৰি ই মুদ্রাৰ যোগান হ্রাস কৰে আৰু দ্বিতীয়তে ই পর্যাপ্ত পুঁজি যোগানৰ জৰিয়তে উৎপাদন খণ্ড আৰু উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰে। এনেদৰে, বীমাই মুদ্রাস্ফীতিৰ প্রভাৱ হ্রাস কৰে।

৮) **বীমাই কর্মচাৰীসকলৰ নিৰাপত্তা আৰু কল্যাণ সাধন কৰে ঃ** কর্মচাৰীসকলৰ নিৰাপত্তা আৰু কল্যাণ নিয়োগকর্তাৰ দায়িত্ব। জীৱন বীমাৰ জৰিয়তে সেইবোৰ নিৰাপত্তা আৰু কল্যাণৰ প্রয়োজনীয়তা পূৰণ সহজে পূৰণ কৰিব পাৰি। লগতে, দুর্ঘটনা আৰু অসুস্থতাৰ লাভ আৰু অৱসৰকালীন বেতন ইত্যাদিবোৰ সাধাৰণতে 'গ্রুপ বীমাই' সামৰি লয়। 'গ্রুপ বীমাৰ' প্রিমিয়াম সাধাৰণতে নিয়োগকর্তাই বহন কৰে। বীমা নিয়োগকর্তাৰ বাবে দায়িত্ব পূৰণ কৰাৰ এক সহজ পদ্ধতি। এইবিলাক সুবিধা বা লাভ দিয়াৰ কাৰণে কর্মচাৰীসকলে তেওঁলোকৰ কর্ম সম্পাদনত সর্বাধিক ক্ষমতা উৰ্চগা কৰে।

৯) **বীমাৰ অন্যান্য গুৰুত্বসমূহ ঃ** (ক) বীমাই বাণিজ্যিক বিপদাশংকাৰ বিৰুদ্ধে সুৰক্ষা প্রদান কৰি বৈদেশিক বাণিজ্যৰ উৎকর্ষ সাধনত সহায় কৰে।

(খ) সম্পদ বা বস্তুৰ নষ্ট হোৱা, ধ্বংস হোৱা অথবা চুৰি হোৱাৰ লোকচান নাইকিয়া কৰি বীমাই ব্যৱসায়ৰ দক্ষতা বৃদ্ধি কৰে।

(গ) সামাজিক দুর্যোগৰ পৰা সুৰক্ষা দি বীমাই সামাজিক বা ৰাজহুৱা সম্পত্তিৰ ৰক্ষা কৰে।

(ঘ) বীমা ব্যৱসায়ৰ বৃদ্ধিয়ে নিয়োজনৰ সুযোগ সৃষ্টি কৰি কর্মহীনতাৰ কুপ্রভাৱ বা অপকাৰিতাৰ সমস্যা সমাধান কৰে।

(ঙ) বীমাকৃত ব্যক্তিয়ে বীমাৰ ফলত কৰ ৰেহাই পায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ বীমাৰ দুটা গুৰুত্ব উল্লেখ কৰা।

.....

.....

৯.৪ ভাৰতবর্ষত বীমাৰ উৎপত্তি আৰু বিকাশ (EVOLUTION AND DEVELOPMENT OF INSURANCE IN INDIA)

ভাৰতবর্ষত বীমা খণ্ডৰ বিকাশ এটা উল্লেখনীয় পৰিঘটনা। যোৱা শতিকাত প্রায় দুশ বছৰ ধৰি বীমা উদ্যোগে বহুতো পৰিৱর্তনৰ মাজেদি পাৰ হৈ আহিছে। ভাৰতবর্ষত অজস্র ব্যক্তিগত

আৰু চৰকাৰী বীমা কোম্পানী আছে যিবিলাক বৈচিত্র্যপূর্ণ বীমা পলিচিৰ লগতে অত্যুত্তম সেৱা আগবঢ়াই আহিছে। ফলস্বৰূপে, বহুতো বীমা কোম্পানীয়ে ভাৰতবর্ষৰ প্রায় সকলোবোৰ গৃহস্থলী বা পৰিয়ালবর্গৰ মাজত উপস্থিত দখল কৰিবলৈ সক্ষম হৈছে।

ভাৰতবর্ষৰ দৃশ্যকলাত বীমা কোম্পানীৰ উৎপত্তি মনু ঋষিৰ যুগত আৰু পিছৰ ভাগত মৌর্য্য বংশৰ যুগত কৌটিল্যৰ দিনত হৈছে, যিজনে অর্থশাস্ত্রৰ সিদ্ধান্তসমূহ লিখিছিল। মনুৰ 'মানৱ ধর্ম শাস্ত্র'ত সাগৰীয় চুক্তিসমূহৰ নিয়মাৱলীসমূহ লিপিবদ্ধ আছে যিবোৰ আন্তৰাষ্ট্রীয় বাণিজ্যত ব্যৱহাৰ কৰা হৈছিল। কৌটিল্যৰ অর্থশাস্ত্রত ৰাষ্ট্রই জনসাধাৰণক প্রাকৃতিক দুর্যোগ, চুৰি বা অ-সামাজিক তত্বৰ বিৰুদ্ধে দিয়া সুৰক্ষাৰ বিষয়ে উল্লেখ কৰা আছে। এইধৰণে, ভাৰতবর্ষত বীমাৰ উৎপত্তি বহুত প্রাচীন আৰু পিছত বৃটিছ কার্যকালত ইয়াৰ বিকাশ হৈ আজিৰ প্রণালীবদ্ধ অৱস্থালৈ উন্নীত হৈছে।

ভাৰতবর্ষত বীমাৰ বিকাশৰ বিষয়ে জানিবলৈ আমি ভাৰতৰ বীমা আইনবোৰলৈ চাব লাগিব। যিহেতু ব্যৱসায়ীসকলে অসুবিধা নোহোৱাকৈ ব্যৱসায় কৰিবলৈ তেওঁলোকৰ কর্ম পৰিকল্পনা বা ৰণনীতি তৈয়াৰ কৰা, তাক কল্পিত ৰূপ দিয়া, সংশোধন কৰা ইত্যাদি কামত দেশৰ আইনমতে কৰাটো প্রয়োজনীয় আৰু বাধ্যতামূলক।

ভাৰতবর্ষত বীমাৰ দৃশ্যপটৰ পৰিৱর্তন এনেধৰণৰ ঃ

১৯৩৮ — এই বছৰটোতে 'বীমা আইন' বুলি বীমাৰ এটা সর্বাংগীন আইন গৃহীত কৰা হৈছিল।

১৯৩৯ — এই বছৰটোত বীমা আইনক কার্যত পৰিণত কৰিবলৈ বীমা নিয়মাৱলী বান্ধি দিয়া হৈছিল।

১৯৫৬ — এই বছৰটোত বীমা খণ্ডত বৃহৎ পৰিৱর্তন প্রত্যক্ষ কৰা হৈছিল যিহেতু ভাৰত চৰকাৰে সকলোবোৰ জীৱন বীমা কোম্পানীবোৰক নিজৰ অধীনত আনিছিল।

১৯৬৮ — সামাজিক নিয়ন্ত্রণ আৰু সর্বনিম্ন শোধক্ষমতাৰ সীমাৰ বাবে এই বছৰটোত ১৯৩৮ৰ বীমা আইন সংশোধন কৰা হৈছিল লগতে এই বছৰটোতে শুল্ক উপদেষ্টা সমিতিও গঠন কৰা হৈছিল।

১৯৭২ — এই বছৰটোত সকলোবোৰ 'সাধাৰণ বীমা' কোম্পানীবোৰৰ চৰকাৰীকৰণ কৰা হৈছিল যাৰ বাবে। সাধাৰণ বীমা ব্যৱসায় (চৰকাৰীকৰণ) আইন, ১৯৭২ গৃহীত কৰা হৈছিল।

১৯৭৩ — 'ভাৰতীয় সাধাৰণ বীমা কোম্পানী' এটা চৰকাৰী কোম্পানী হিচাপে অস্তিত্বলৈ আহিছিল।

১৯৭৪ — এই বছৰটোত ১০৭খন সাধাৰণ বীমাৰ ব্যৱসায় কৰা কোম্পানীক একত্রিত কৰি 'সাধাৰণ বীমা কোম্পানী'ৰ চাৰিটা সহায়ক কোম্পানী গঠন কৰা হৈছিল। সেই কোম্পানীবোৰ হ'ল— ৰাষ্ট্রীয় বীমা কোম্পানী সীমিত, 'নিউ ইণ্ডিয়া ইঞ্চুৰেঞ্চ কোম্পানী সীমিত, দা অৰিয়েণ্টেল ইঞ্চুৰেঞ্চ কোম্পানী সীমিত আৰু ইউনাইটেড ইণ্ডিয়া ইঞ্চুৰেঞ্চ কোম্পানী সীমিত।

১৯৯১ — ৰাজহুৱা ঋণ বীমা আইন, ১৯৯১ আৰু ৰাজহুৱা ঋণ বীমা নিয়মাৱলী, ১৯৯১ প্ৰৱৰ্তন কৰা হৈছিল। যিবোৰ ৰাজহুৱা কল্যাণ আইনবোৰৰ শৃংখলাত এটা মাইলৰ খুটি হিচাপে বিবেচনা কৰা হয়।

১৯৯৪ — মলহোত্ৰা সমিতিয়ে জানুৱাৰী, ১৯৯৪ত নিজৰ প্ৰতিবেদন দাখিল কৰিছিল (মলহোত্ৰা সমিতিখন ১৯৯৩ ত ভাৰত চৰকাৰে গঠন কৰিছিল আৰু এন মলহোত্ৰাৰ সভাপতিত্বত। আৰ এন মালহোত্ৰা ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ভূতপূৰ্ব সচিব আছিল এই সমিতিখন গঠন কৰাৰ উদ্দেশ্য আছিল ভাৰতবৰ্ষৰ বীমা খণ্ডত কৰিব পৰা সম্ভাৱ্য সংস্কাৰ বা সংশোধন বিলাকৰ পৰীক্ষা কৰা আৰু অন্যান্য খণ্ডসমূহত হোৱা সংস্কাৰ বা সংশোধনৰ পৰিপূৰক হিচাপে সেইবোৰ ব্যৱহাৰ কৰা।) মলহোত্ৰা সমিতিয়ে তেতিয়া নিজৰ প্ৰতিবেদনত এটা শক্তিশালী আৰু প্ৰভাৱশালী নিয়ামক কৰ্তৃপক্ষৰ গঠনৰ উপদেশ দিছিল।

১৯৯৮ — ৰাজহুৱা অভিযোগ প্ৰতিবিধান বীমা লোকপাল নিয়মাৱলী (১৯৯৮) প্ৰকাশ কৰা হৈছিল। যাতে উপভোক্তাসকলে ন্যূনতম আনুষ্ঠানিকাতে তেওঁলোকৰ অভিযোগ সমাধান কৰাৰ বাবে এটা মঞ্চ বা সুবিধা পায়।

১৯৯৯ — এই বছৰটোৰ ভাৰতবৰ্ষৰ বীমা খণ্ডৰ ইতিহাসত বিশাল প্ৰাসংগিতা আছে। যিহেতু এই বছৰটোতে ভাৰতত বীমা আৰু পুনৰ বীমাৰ ব্যৱসায়ৰ নিয়ন্ত্ৰণ, উন্নয়ন আৰু সুশৃংখলিত বিকাশৰ বাবে মলহোত্ৰা সমিতিৰ প্ৰতিবেদনৰ আধাৰত 'বীমা নিয়ন্ত্ৰণকাৰী আৰু বিকাশ প্ৰাধিকৰণ (Insurance Regulatory and Development Authority) চমুকৈ IRDA গঠন কৰা হৈছিল।

২০০১ — এই বছৰটোৱে ভাৰতীয় বীমা ব্যৱসায়ৰ ক্ষেত্ৰত আন এক পৰিৱৰ্তন লৈ আহিছিল। যিহেতু তেতিয়াই পূৰ্বে বৰ্তি থকা চৰকাৰী বীমা কোম্পানীবোৰৰ উপৰিও ব্যক্তিগত খণ্ডৰ কোম্পানীবোৰকো ভাৰতত বীমাৰ ব্যৱসায় কৰিবলৈ IRDA ই অনুমতি পত্ৰ প্ৰদান কৰিছিল।

২০০২ — এই বছৰ 'সাধাৰণ বীমা ব্যৱসায় (চৰকাৰীকৰণ) সংশোধন আইনত, ২০০২'ৰ সংশোধন কৰা হৈছিল যাৰ দ্বাৰা সহায়ক কোম্পানীবোৰক স্বাধীন কোম্পানী হিচাপে পুনৰ গঠন কৰা হৈছিল আৰু 'সাধাৰণ বীমা কোম্পানী' (GIC) ক ৰাষ্ট্ৰীয় পুনৰ বীমা কোম্পানীলৈ ৰূপান্তৰিত কৰা হৈছিল।

২০০৩ — ভাৰতীয় বীমা বজাৰত পোন প্ৰথমবাৰৰ বাবে দালাল বা মধ্যস্বত্বভোগীৰ প্ৰবেশ কৰোৱা হৈছিল যাতে বীমা ব্যৱসায় পৰিসৰ বিস্তৃতভাৱে বৃদ্ধি হয়।

২০১৫ — বীমা ব্যৱসায়ত প্ৰত্যক্ষ বৈদেশিক বিনিময় (FDI)ৰ সীমা ২৬%ৰ পৰা ৪৯% লৈ বৃদ্ধি কৰিবলৈ 'বীমা অধিনিয়ম (সংশোধন) আইন, ২০১৫' গৃহীত কৰা হৈছিল আৰু এই ধৰণে ভাৰতবৰ্ষত ব্যৱসায়ত বৈদেশিক বীমা কোম্পানীৰ প্ৰৱেশৰ বাট মুকলি কৰা হৈছিল।

৯.৫ বীমাৰ মৌলিক সিদ্ধান্তসমূহ (THE FUNDAMENTAL PRINCIPLES OF INSURANCE)

১) **চৰম আস্থাৰ সিদ্ধান্ত (Principle of utmost good faith) ঃ** বীমাৰ চুক্তিসমূহ বীমা কোম্পানী আৰু বীমাকৃত দুয়ো পক্ষই পৰস্পৰৰ পালন কৰিবলগীয়া চৰম গুণসম্পন্ন আস্থাৰ ওপৰত আধাৰিত। যদি এটা পক্ষই আন পক্ষৰ পৰা সিদ্ধান্ত গ্ৰহণত মহত্বপূৰ্ণ বিবেচিত তথ্যসমূহ লুকাই ৰাখে, তেন্তে অন্য পক্ষই চুক্তিটো বাতিল কৰিব।

চৰম আস্থা সিদ্ধান্তসমূহ দুয়ো পক্ষৰৰ বাবে সমানভাৱে প্ৰযোজ্য। অৱশ্যে সকলোবোৰ গুৰুত্বপূৰ্ণ তথ্যৰ সম্পূৰ্ণ আৰু পক্ষপাতহীন প্ৰকাশকৰণৰ দায়িত্বভাৰ সাধাৰণতে মূলতঃ বীমাকৃত ব্যক্তিজনৰ ওপৰত যিহেতু তেওঁৰ লগত বীমা বিষয়ৰ ভিতৰুৱা তথ্য বা জ্ঞান থাকে বুলি ধৰি লোৱা হয়।

গুৰুত্বপূৰ্ণ তথ্যৰ প্ৰকাশিতকৰণৰ দায়বদ্ধতা অবিৰত নহয় অৰ্থাৎ ব্যক্তি বীমা চুক্তিৰ সামৰণিৰ পিছত প্ৰত্যক্ষিত হোৱা তথ্যসমূহৰ প্ৰকাশিতকৰণৰ বাবে বীমাকৃত ব্যক্তিৰ কোনোধৰণৰ দায়বদ্ধতা নাথাকে।

২) **ক্ষতিপূৰণৰ সিদ্ধান্ত (Principle of Indemity) ঃ** জীৱন বীমাক বাদ দি বাকী সকলোবোৰ বীমা চুক্তিবোৰ হ'ল ক্ষতিপূৰণৰ চুক্তি। ইয়াৰ অৰ্থ হ'ল যে যেতিয়া বীমাৰ মূল বিষয়বস্তু (বস্তু বা সম্পত্তি)ৰ লোকচান হয়, সেই পৰিস্থিতিত বীমাকৃতজনে তেওঁৰ লোকচান সৰ্বাধিক নিশ্চিয়তা দিয়া মূল্যলৈকেহে ক্ষতিপূৰণ হিচাপে উদ্ধাৰ কৰিব পাৰে। ধৰক, A য়ে তেওঁৰ ঘৰৰ বাবে মুঠ ১,০০,০০০ টকাৰ অগ্নিবীমা ল'লে। জুইৰ পৰা ঘৰৰ লোকচান হোৱা মূল্য ৮০,০০০ টকা মাত্ৰ। এই পৰিস্থিতিত Aয়ে মাত্ৰ ৮০,০০০ টকাহে বীমা কোম্পানীৰ পৰা ক্ষতিপূৰণ হিচাপে উদ্ধাৰ কৰিব পাৰে।

৩) **বীমাযোগ্য স্বাৰ্থৰ (Insurable Interest) ঃ** বীমাযোগ্য স্বাৰ্থৰ সিদ্ধান্ত বীমা চুক্তিৰ মুখ্য ভেটি। বীমাযোগ্য স্বাৰ্থৰ অনুপস্থিতিত বীমাচুক্তিসমূহ জুৱা খেলৰ চুক্তিৰ নিচিনা মাত্ৰ যিবোৰ আইনৰ অধীনত বলবৎ কৰিব নোৱাৰি।

বীমাযোগ্য স্বাৰ্থৰ সংজ্ঞা আমি এনেদৰে দিব পাৰো—

এজন মানুহৰ এটা বিষয়বস্তুৰ ওপৰত বীমাযোগ্য স্বাৰ্থ আছে বুলি আমি ক'ব পাৰো যদি বিষয়বস্তুটো লৈ তেওঁ এনেকুৱা স্থিতিত আছে যে বিষয়বস্তুটো থাকিলে তেওঁৰ লাভ হয় আৰু ধ্বংস হ'লে তেওঁৰ লোকচান হয়।

বীমাযোগ্য স্বাৰ্থ, জীৱন বীমা, অগ্নিবীমা আৰু সমুদ্ৰী বীমাৰ ক্ষেত্ৰত তলত উল্লেখ কৰা নিয়মাৱলীৰ মতে থকাটো বাধ্যতামূলক—

১) জীৱন বীমাৰ ক্ষেত্ৰত বীমাযোগ্য স্বাৰ্থ বীমা চুক্তিত প্ৰৱেশ কৰা সময়ত থাকিব লাগে।

২) অগ্নি বীমাৰ ক্ষেত্ৰত বীমাযোগ্য স্বাৰ্থ বীমা চুক্তিত প্ৰৱেশ কৰা সময় আৰু লোকচান হোৱা সময় উভয়তে থাকিব লাগে।

৩) সমুদ্রী বীমাৰ ক্ষেত্রত বীমাযোগ্য স্বার্থ লোকচান হোৱা সময়ত থাকিব লাগে।

৪) **অংশদানৰ সিদ্ধান্ত (Principle of contribution) ঃ** অংশদানৰ সিদ্ধান্ত ডাবল বীমা বা দুতৰপীয়া বীমাৰ ক্ষেত্রত প্রযোজ্য। দুতৰপীয়া বীমাৰ ক্ষেত্রত প্রত্যেক বীমা কোম্পানীয়ে পূর্বে নিশ্চয়তা দিয়া মূল্যৰ অনুপাতত সর্বমুঠ পৰিশোধ কৰিবলগীয়া মূল্যলৈ নিজৰ নিজৰ বৰঙণি আগবঢ়ায়। যদি অকল এটা বীমা কোম্পানীয়ে গোটেই ক্ষতিপূৰণ পৰিশোধ কৰে, তেন্তে ই বেলেগ বীমা কোম্পানীবোৰৰ পৰা নির্ধাৰিত অনুপাতে বৰঙণি দাবী কৰিব পাৰে।

ধৰা হ'ল A য়ে তেওঁৰ ঘৰৰ বাবে X আৰু Y কোম্পানীৰ পৰা ক্রমে 40,000 টকা আৰু 80,000 টকাত দুটা অগ্নিবীমা ল'লে। যদি ঘৰটোত জুই লাগে আৰু লোকচান হোৱা মূল্যৰ পৰিমাণ 48,000 টকা হয়, তেন্তে—

X এ 16,000 টকা A ক দিব আৰু

Y এ 32,000 টকা A ক দিব। অর্থাৎ, 48,000 টকাৰ মুঠ লোকচান X আৰু Y ৰ মাজত 40,000 ঃ 80,000 বা 1 ঃ 2 ৰ অনুপাতত ভাগ কৰা হৈছে।

যদি X এ গোটেই 48,000 টকাৰ ক্ষতিপূৰণ অকলে পৰিশোধ কৰে, তেন্তে ই 32,000 টকা Yৰ পৰা উদ্ধাৰ কৰিব পাৰে আৰু যদি Y এ গোটেই 48,000 টকাৰ ক্ষতিপূৰণ অকলে পৰিশোধ কৰে, তেন্তে ই X ৰ পৰা 16,000 টকা উদ্ধাৰ কৰিব পাৰে।

অংশদানৰ সিদ্ধান্ত জীৱন বীমাৰ ক্ষেত্রত প্রযোজ্য নহয়, য'ত প্রত্যেক বীমা কোম্পানীয়ে বীমাকৃতজনক পলিচিৰ নিশ্চয়তা দিয়া মূল্য পৰিশোধ কৰিব লাগে। যিহেতু জীৱন বীমা একপ্রকাৰৰ বিনিয়োগ আৰু জীৱন বীমাৰ চুক্তি ক্ষতিপূৰণৰ চুক্তি নহয়।

৫) **প্রস্তাপনৰ সিদ্ধান্ত (Principle of Subrogation) ঃ** প্রস্তাপনৰ সিদ্ধান্ত অনুসৰি যেতিয়া বীমা কোম্পানী লোকচানৰ বাবে বীমাকৃতক ক্ষতিপূৰণ দিয়ে তাৰ পিছত বীমা কোম্পানীয়ে বীমাকৃতজনৰ ক্ষতিপ্রাপ্ত হোৱা সম্পত্তিৰ সকলোধৰণৰ অধিকাৰ লাভ কৰে। ধৰা A ই তেওঁৰ ঘৰৰ বাবে, 20,000 টকাৰ এটা অগ্নিবীমা ল'লে। ঘৰটো জুই লাগি সম্পূর্ণৰূপে ধ্বংসপ্রাপ্ত হ'ল আৰু বীমা কোম্পানীয়ে A ক ক্ষতিপূৰণ হিচাপে 2,00000 টকা পৰিশোধ কৰিলে। পিছত ধ্বংসপ্রাপ্ত ঘৰটো 25,000 টকাত বিক্রী কৰা হ'ল। বীমা কোম্পানীৰ এই 25,000 টকা লোৱাৰ অধিকাৰ আছে। ধৰা হ'ল যে কোনোবাই ঘৰটোত জুই লগোৱাৰ চেষ্টা কৰিছিল বুলি পিছত গম পোৱা গ'ল। বীমা কোম্পানীৰ সেই মানুহজনৰ বিৰুদ্ধে ব্যৱস্থাও ল'ব পাৰে। কাৰণ বীমা কোম্পানীয়ে A ৰ গোটেইখিনি অধিকাৰ আৰু প্রতিবিধান সাব্যস্ত কৰিছে।

প্রস্তাপনাৰ সিদ্ধান্তৰ নিহিত অর্থসমূহ হ'ল —

(ক) লোকচানৰ ক্ষতিপূৰণ দিয়াৰ পিছতহে বীমা কোম্পানীয়ে বীমাকৃত ব্যক্তিৰ গোটেই অধিকাৰসমূহ পায়।

(খ) এই সিদ্ধান্তটো জীৱন বীমাৰ ক্ষেত্রত প্রযোজ্য নহয়।

৬) **নিকটৱৰ্তী কাৰণৰ সিদ্ধান্ত (Principle of Causa Proxima) ঃ** এই সিদ্ধান্ত অনুসৰি আমি বীমাকৃত সম্পত্তি লোকচানৰ নিকটৱৰ্তী কাৰণ বিচাৰি ওলাওঁ। যদিহে লোকচানৰ নিকটৱৰ্তী কাৰণটো বীমাকৃত কৰা হৈছে। তেতিয়াহে বীমা কোম্পানীয়ে ক্ষতিপূৰণ দিয়াৰ বাবে দায়বদ্ধ, নহ'লে নহয়। এই সিদ্ধান্তটো গুৰুত্বপূৰ্ণ হৈ পৰে যেতিয়া লোকচান এটা বিভিন্ন কাৰণৰ পৰা হয়।

ধৰা হ'ল X এ সাগৰীয় পানীৰ পৰা হ'ব পৰা লোকচানৰ বিপৰীতে এটা সমুদ্ৰী বীমা ল'লে। সামুদ্ৰিক যাত্ৰাৰ সময়ত এন্দুৰে জাহাজৰ নিম্নাংশত বা তলিত ফুটা কৰিলে যাৰ ফলত সাগৰৰ পানী ভিতৰত সোমাই সামগ্ৰীবোৰৰ ক্ষতি সাধন কৰিলে। ইয়াত বীমা কোম্পানীয়ে সামগ্ৰীৰ লোকচানৰ বাবে ক্ষতিপূৰণ দিবলৈ দায়ী কাৰণ ইয়াত নিকটৱৰ্তী কাৰণ হ'ল সাগৰীয় জল যাৰ বাবে বীমা কৰা হৈছে। এন্দুৰে জাহাজৰ নিম্নাশত ফুটা কৰাটো লোকচানৰ দূৰৱৰ্তী কাৰণ।

৭) **লোকচানৰ নিৰ্বাপন বা উপশমনৰ সিদ্ধান্ত (Principle of Mitigation of Loss) ঃ** উপশমন মানে কিবা এটাৰ প্ৰকোপ হ্ৰাস কৰি তাৰ অপকাৰিতা কমোৱাক বুজায়। এই সিদ্ধান্ত অনুসৰি বীমাকৃত সম্পত্তিৰ লোকচান কমাবলৈ বীমাকৃত ব্যক্তিজনে সকলোধৰণৰ সম্ভাৱনীয় চেষ্টা কৰিব লাগে বা যত্ন ল'ব লাগে। তেওঁ এজন সতৰ্ক ব্যক্তি হিচাপে আচৰণ কৰিব লাগে আৰু বীমা কৰাৰ পিছত অসাৱধান হ'ব নালাগে।

ধৰা হ'ল এটা এখন ঘৰৰ বাবে অগ্নিবীমা লোৱা হৈছে আৰু ঘৰটোত জুই লাগিল। ঘৰ মালিকজনে প্ৰথমতে অগ্নিনিৰ্বাপক বাহিনীক খবৰ দিব লাগে আৰু জুই নোমাবলৈ সকলোধৰণৰ যত্ন বা চেষ্টা কৰিব লাগে যেন তেওঁৰ ঘৰটো বীমাকৃত কৰাই নাই। অৰ্থাৎ তেওঁ জুইৰ পৰা হোৱা লোকচান কমাবলৈ সকলোধৰণৰ প্ৰচেষ্টা কৰিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ চৰম গুণসম্পন্ন আস্থাৰ সিদ্ধান্তৰ বিষয়ে বৰ্ণনা কৰা।

.....

.....


প্ৰশ্ন নং ৪ঃ ক্ষতিপূৰণৰ সিদ্ধান্তৰ বিষয়ে বৰ্ণনা কৰা।

.....

.....

৯.৬ দ্বৈত বীমা আৰু পুনৰ্বীমা DOUBLE INSURANCE AND REINSURANCE

এজন মানুহে একেটা বিপদাশংকাৰ বাবে এটাতকৈ অধিক বীমা প'লিচি ল'ব পাৰে।




ওপৰৰ ছবিত দেখুওৱা ধৰণে Aয়ে একেটা বিপদাশংকাৰ কাৰণে বীমা কোম্পানী I, বীমা কোম্পানী II আৰু বীমা কোম্পানী III ৰ পৰা তিনিটা বীমা পলিচি লৈছে।

দ্বৈত বীমাৰ নিহিৰত অর্থসমূহ হ'ল—

- **জীৱন বীমাৰ ক্ষেত্রত ঃ** জীৱন বীমাৰ ক্ষেত্রত বীমাকৃত বা তেওঁৰ ওপৰত নির্ভৰশীল ব্যক্তিয়ে প্রত্যেক বীমা কোম্পানীৰ পৰা বীমা পলিচিৰ সম্পূর্ণ মূল্য দাবী কৰিব পাৰে। ইয়াৰ কাৰণ হ'ল জীৱন বীমা একপ্রকাৰৰ বিনিয়োগ আৰু এজন ব্যক্তিয়ে তেওঁৰ জীৱনৰ ওপৰত যিমান ইচ্ছা সিমানটা বীমা পলিচি ল'ব পাৰে আৰু প্রত্যেক পলিচিৰ অধীনত থকা সম্পূর্ণ মূল্য দাবী কৰিব পাৰে।
- **অন্যান্য বীমাৰ ক্ষেত্রত ঃ** অগ্নিবীমা আৰু সমুদ্রীবীমাৰ ক্ষেত্রত বীমাকৃত ব্যক্তিজনে তেওঁৰ লোকচানতকৈ অধিক মূল্য বীমা কোম্পানীৰ পৰা আদায় কৰিব নোৱাৰে। অর্থাৎ গোটেইখিনি কোম্পানীৰ পৰা পোৱা ক্ষতিপূৰণ একেলগে মিলালে তেওঁৰ আচল লোকচানতকৈ বেছি হ'ব নোৱাৰে। কাৰণ বীমা লেনদেনৰ পৰা লাভ কৰা অনুমান তেওঁক দিয়া নহয়।

  ধৰা Mr. A এ তেওঁৰ ঘৰৰ বাবে তিনিটা বীমা কোম্পানী I, II আৰু III ৰ পৰা ক্রমে 50,000 টকা। 1,00,000 টকা আৰু 1,50,000 টকাৰ তিনিটা অগ্নি বীমা পলিচি ল'লে। ঘৰটো জুই লাগি ধ্বংস হ'ল আৰু ফলস্বৰূপে 60,000 টকাৰ লোকচান হ'ল। তেওঁ সর্বমুঠ 60,000 টকাৰ ক্ষতিপূৰণ দাবী কৰিব পাৰে যিটো আচল লোকচান হৈছে। অর্থাৎ কোম্পানী I, II, III ৰ পৰা 1 : 2 : 3 অনুপাত ক্রমে 10,000, 20,000 আৰু 30,000 টকাৰ ক্ষতিপূৰণ পাব।

  যদি তেওঁ গোটেই 60,000 টকাৰ লোকচান কোম্পানী II ৰ পৰা সংগ্রহ কৰে তেন্তে কোম্পানী II এ কোম্পানী I আৰু কোম্পানী III ৰ পৰা ওপৰত উল্লেখিত অনুপাতত ক্রমে 10,000 আৰু 30,000 টকা অংশদান দাবী কৰিব পাৰে।
- **পুনৰ বীমা ঃ** যেতিয়া এটা বীমা কোম্পানীয়ে গম পায় বা অনুভৱ কৰে যে ই যিটো বিপদশংকাৰ কাৰণে বীমাৰ বন্দোবস্ত লৈছে, সেই বিপদাশংকাৰ মূল্য বা পৰিমাণ অধিক মোটা, তেনেকুৱা অৱস্থাত ই আন এটা বীমা কোম্পানীৰ লগত নিজকে বীমাকৃত কৰি ল'ব পাৰে। ইয়াকে পুনৰ বীমা বুলি কোৱা হয়।



এই ক্ষেত্ৰত দুই ধৰণৰ বীমা চুক্তি থাকে—

- এটা বীমাকৃত ব্যক্তি আৰু বীমা কোম্পানীৰ মাজত যাক আমি বীমা চুক্তি বুলি কওঁ।
- আনটো বীমা কোম্পানী আৰু পুনৰ বীমা কোম্পানীৰ মাজত যাক আমি পুনৰ বীমা চুক্তি বুলি কওঁ।

পুনৰ বীমাৰ নিহিত অৰ্থসমূহ হ'ল—

- বীমাকৃত ব্যক্তিৰ পুনৰ বীমা কোম্পানীৰ লগত কোনোধৰণৰ সম্বন্ধ নাথাকে। তেওঁ লোকচানৰ ক্ষতিপূৰণ বীমা কোম্পানীৰ লগতহে দাবী কৰিব পাৰে যাৰ লগত তেওঁ বীমা চুক্তি কৰিছে।
- বীমা কোম্পানীয়ে পুনৰ বীমা কোম্পানীৰ পৰা নিজে বীমাকৃত ব্যক্তিক পৰিশোধ কৰা ক্ষতিপূৰণ দাবী কৰিব পাৰে।

দ্বৈত বীমা আৰু পুনৰ বীমাৰ মাজৰ পাৰ্থক্য দ্বৈত বীমাৰ ধাৰণা আৰু পুনৰ বীমাৰ ধাৰণা তলত দিয়া ধৰণে পৃথক—

- **অৰ্থ ঃ** পুনৰ বীমাৰ ব্যৱসায়টো আচল বীমা কোম্পানী আৰু পুনৰ বীমা কোম্পানীৰ মাজত হয়। কিন্তু দ্বৈত বীমাৰ কোম্পানীৰ মাজত হয়। দ্বৈত বীমাৰ ক্ষেত্ৰত, এজন বীমাকৃত ব্যক্তিয়ে একেটা বিষয়-বস্তু (জীৱন, সম্পত্তি, সামগ্ৰী) এটাতকৈ বেছি বীমা কোম্পানীৰ লগত বীমাকৃত কৰে, বা এটা বীমা কোম্পানীৰ লগতেই এটাতকৈ অধিক বীমা পলিচিৰ অধীনত বীমাকৃত কৰে।
- **ক্ষতিপূৰণৰ দাবী ঃ** পুনৰ বীমাৰ ক্ষেত্ৰত, বীমাকৃতজনে লোকচানৰ কোনো অংশই পুনৰ বীমা কোম্পানীৰ পৰা দাবী কৰিব নোৱাৰে। কিন্তু দ্বৈত বীমাৰ ক্ষেত্ৰত বীমাকৃতজনে সৰ্বাধিক নিশ্চয়তা দিয়া পৰিমাণলৈকে প্ৰত্যেক বীমা কোম্পানীৰ পৰা ক্ষতিপূৰণ দাবী কৰিব পাৰে।
- **অংশদান ঃ** পুনৰ বীমাৰ ক্ষেত্ৰত, পুনৰবীমাকৃত কোম্পানীয়ে পুনৰ বীমা কৰা বিপদাশংকাৰ অনুপাতত পুনৰবীমা কোম্পানীৰ পৰা ক্ষতিপূৰণৰ অংশ দাবী কৰিব পাৰে। কিন্তু, দ্বৈত বীমাৰ ক্ষেত্ৰত, প্ৰত্যেক বীমা কোম্পানীয়ে বীমাকৃতজনৰ লোকচানৰ ক্ষতিপূৰণ যথানুপাতে পৰিশোধ কৰিব লাগে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ পুনৰবীমা কি?

.....

.....

প্ৰশ্ন নং ৬ঃ পুনৰবীমা আৰু দ্বৈত বীমাৰ মাজত থকা দুটা পাৰ্থক্য উল্লেখ কৰা।

.....

.....

৯.৭ জীৱন বীমাৰ ধাৰণা আৰু গুৰুত্ব (CONCEPT AND IMPORTANCE OF LIFE INSURANCE)

এটা জীৱন বীমা পলিচি হ'ল বীমা কোম্পানীৰ লগত কৰা চুক্তি। বীমা কোম্পানীয়ে প্ৰিমিয়ামৰ বিনিময়ত মনোনীত ব্যক্তিজনক বীমা ধাৰকৰ মৃত্যুৰ সময়তে এটা মোটামোটি পৰিমাণৰ টকা প্ৰদান কৰে যাক আমি মৃত্যু লাভ (মৰণোত্তৰভাৱে পোৱা লাভ) বুলি কওঁ।

জীৱন বীমাৰ বৰ্তমান সময়ত কোনোধৰণৰ বিধিগত সংজ্ঞা পাবলৈ নাই। ভাৰতীয় উচ্চতম ন্যায়ালয়ে ৰায় দিছে যে যদিও জীৱন বীমাৰ কোনো বিধিগত সংজ্ঞা নাই, কিন্তু ইয়াৰ সংজ্ঞা এনেদৰে দিয়া হৈছে - 'জীৱন বীমা হ'ল এটা বীমা চুক্তি যাৰ দ্বাৰা বীমাধাৰকজনে এটা নিৰ্দিষ্ট পৰিমাণৰ টকা নিৰ্দিষ্ট সময়ে সময়ে পৰিশোধ কৰিবলৈ সন্মত হয় আৰু তাৰ বিনিময়ত বীমা কোম্পানীয়ে এক নিৰ্দিষ্ট পৰিমাণৰ টকা, নিৰ্দিষ্ট পৰিস্থিতিত আৰু নিৰ্দিষ্ট ধৰণে দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে, যেতিয়াই মানুহজনৰ জীৱনকালত এটা নিৰ্দিষ্ট ঘটনা ঘটে।'

ডালবি বনাম ইণ্ডিয়া এণ্ড লণ্ডন লাইফ এশ্ৰুৰেঞ্চ কোম্পানী শুনানিত, জীৱন বীমাৰ সংজ্ঞাটো সুন্দৰভাৱে বৰ্ণনা কৰা হৈছে এনেদৰে 'ব্যক্তি এজনৰ জীৱন কালৰ সম্ভাৱনা অনুসৰি নিৰ্ধাৰণ কৰা নিৰ্দিষ্ট বাৰ্ষিক ভাট্টাৰ বিনিময়ত ব্যক্তিজনৰ মৃত্যুত এক নিৰ্দিষ্ট পৰিমাণৰ টকা পৰিশোধ কৰাৰ চুক্তি।'

যোচেফ বনাম ল, ইণ্টেগ্ৰিটি ইশ্ৰুৰেঞ্চ কোম্পানীৰ শুনানিত, বানয়ান জে (Bunyon J.) এ নিৰীক্ষণ কৰিছিল যে 'এটা জীৱন বীমাৰ চুক্তি সংজ্ঞা এনেদৰে দিব পাৰি যে, এটা চুক্তি য'ত এটা গোটে আন এটা গোটক জীৱন কালত ঘটা নিৰ্দিষ্ট এটা ঘটনাৰ সময়ত এটা নিদিষ্ট পৰিমাণৰ টকা পৰিশোধ কৰিবলৈ সন্মত হয়, যাৰ প্ৰতিদান হিচাপে বেলেগ গোটে নিয়মিত সময়ৰ অন্তৰালত আপেক্ষিকভাৱে সুক্ষ্ম পৰিমাণৰ টকা প্ৰদান কৰে।'

জীৱন বীমাৰ প্ৰকৃতি আৰু পৰিসৰ (Nature and Scope of Life Insurance):

এজন মানুহৰ বাবে জুই লগা, অকাল মৃত্যু বা অক্ষমতা ইত্যাদিৰ নিচিনা বহুতো ভয়ংকৰ বিপদৰ ভৱিষ্যবাণী কৰা বা ৰোধ কৰা সম্ভৱপৰ নহয়। বীমাই ইয়াৰ বিভিন্ন প্ৰকাৰৰ সুবিধাৰ জৰিয়তে মানুহক তেনেকুৱা ধৰণৰ দুৰ্যোগৰ পৰা ৰক্ষা কৰে। য'ত সেই ধৰণৰ দুৰ্যোগত হোৱা হানিবোৰ বহুকেইজন পৰস্পৰ সহযোগী ব্যক্তিসকলৰ মাজত এটা যৌথ পুঁজিত অংশদানৰ জৰিয়তে বিতৰণ বা প্ৰসাৰণ কৰা হয়।

জীৱন বীমাৰ পলিচিসমূহ মৃত্যুৰ ফলত হোৱা লোকচানৰ পৰা সুৰক্ষিত কৰিবৰ বাবে প্ৰয়োজনীয়। জীৱন বীমা এটা চুক্তি য'ত এটা চুক্তিবদ্ধ মূল্যৰ প্ৰতিদান বা বিনিময়ত, এটা গোটে (বীমা কোম্পানী) আনটো গোট বা মনোনীত ব্যক্তিজনক মৃত্যু বা তেনেকুৱা নিৰ্দিষ্ট অঘটন হ'লে এটা স্থিৰ মূল্য পৰিশোধ কৰিবলৈ সন্মত হয়।

যদিও জীৱন বীমাৰ মুখ্য উদ্দেশ্য হ'ল বিপদাশংকাসমূহ পৰা সুৰক্ষা দিয়া, যেতিয়া চুক্তি দীঘলীয়া কাললৈ সম্প্রসাৰণ হয়, তেতিয়া প্রিমিয়ামৰ পৰিসোধে দুই ধৰণৰ উদ্দেশ্য পূৰণ কৰে এটা হ'ল তাৎক্ষণিক বা হ্রস্বম্যাদী আৰু আনটো দূৰৱৰ্তী বা দীর্ঘম্যাদী। বীমাকৃতজনৰ মৃত্যু বা লোকচানৰ সময়ত নির্দিষ্ট ক্ষতিপূৰণ প্রদানৰ জৰিয়তে জীৱন বীমাই তাৎক্ষণিক উদ্দেশ্যটো পূৰণ কৰে।

সেয়েহে, এতিয়া এটা প্রশ্ন উত্থাপন হ'ব পাৰে যে মানুহৰ মৃত্যুৰ সময়টো যদি আমি আগতীয়াকৈ নির্ধাৰণ কৰিব নোৱাৰো তেন্তে জীৱন বীমাৰ প্রকৃতি এটা জুৱা খেলৰ নিচিনা নহয়নে? ইয়াৰ ন্যায়সংগত উত্তৰটো হ'ব পাৰে যে মানুহৰ জীৱনতকৈ বেচি অনিশ্চিত পৃথিৱীত একো নাই আৰু জীৱন বীমা পলিচিয়ে অনিশ্চয়তাক নিশ্চয়তালৈ ৰূপান্তৰিত কৰাৰ এটা বিশ্বস্ত পদ্ধতি বা উপায় প্রদান কৰে। সেই কাৰণে আমি ক'ব পাৰো যে বীমা হ'ল জুৱা খেলৰ ঠিক বিপৰীত। জুৱা খেলত মানুহ এজনে নিজকে বিপদাশংকাৰ মাজলৈ ঠেলি দিয়ে (হাৰি যোৱাৰ বিপদাশংকা) আনহাতে বীমাত বীমাধাৰকজন বা বীমাকৃতজন সদায় বিপদাশংকাৰ পৰা বিপৰীত দিশত থাকে। অর্থাৎ বীমা আৰু বিপদাশংকা পৰস্পৰ বিপৰীতমুখী।

দ্বিতীয় প্রশ্ন উত্থাপন হ'ব পাৰে যে জীৱন বীমাৰ প্রকৃতি দান কর্ম বা পৰোপকাৰৰ নিচিনা নেকি। ইয়াৰ উত্তৰটো হ'ব নহয়। কাৰণ দানকর্মৰ বিনিময়ত একো দিয়া নহয়, আনহাতে জীৱন বীমাত বিনিময় বা প্রতিদান হিচাপে প্রিমিয়াম দিয়া হয়।

৯.৮ সমুদ্রী বীমাৰ ধাৰণা (CONCEPT OF MARINE INSURANCE)

সমুদ্রী বীমাৰ চুক্তিৰ মূল সিদ্ধান্তটো হ'ল যে বীমাকৃতজনে বীমা চুক্তিৰ অধীনত চুক্তিবদ্ধ ধৰণে আৰু চুক্তিবদ্ধ স্বার্থত বহন কৰা বিত্তীয় লোকচানৰ বাবে বীমা কোম্পানীৰ পৰা ক্ষতিপূৰণ উদ্ধাৰ কৰে।

সমুদ্রী বীমা আন, ১৯৬৩ৰ ৩ নং অনুচ্ছেদত সমুদ্রী বীমাৰ সংজ্ঞা সর্বাংগীনভাৱে দাঙি ধৰা হৈছে। উক্ত আইনৰ মতে 'সমুদ্রী বীমা হ'ল এটা চুক্তি যাৰ দ্বাৰা বীমা কোম্পানীয়ে আশ্বাস দিয়া ব্যক্তিজনক চুক্তিবদ্ধ ধৰণে আৰু চুক্তিবদ্ধ পৰিসৰলৈ সমুদ্রী অভিজ্ঞতা বা যাত্রাৰ সময়ত হোৱা লোকচাৰ ক্ষতিপূৰণ দিয়াৰ দায়িত্বভাৰ গ্রহণ কৰে।'

সমুদ্রী বীমা প'লিচিৰ প্রকাৰ (Voyage and Time Policy) ঃ

বীমা কোম্পানীবিলাকে উপভোক্তাসকলক সমুদ্রী বীমা প'লিচি বাছনি কৰোতে তেওঁলোকৰ সুবিধা বা উপযোগীতা অনুসৰি উপযুক্ত প'লিচি বাছনি কৰিব পাৰে, সেইটো উদ্দেশ্য আগত ৰাখি বেলেগ বেলেগ ধৰণৰ সমুদ্রী বীমা পলিচি আগবঢ়ায়। বিভিন্ন ধৰণৰ সমুদ্রী বীমা প'লিচিৰ উপলব্ধতাই উপভোক্তাসকলক তেওঁলোকৰ জাহাজ আৰু সামগ্রীৰ বাবে আটাইতকৈ উপযোগী প'লিচি বাছনিৰ বাবে এক বিস্তৃত সুযোগ প্রদান কৰে। বিভিন্ন ধৰণৰ সমুদ্রী বীমা প'লিচিৰ বিষয়ে তলত আলোচনা কৰা হ'ল।

- **সামুদ্রিক যাত্রা আৰু ম্যাদী প'লিচি ঃ** এটা সামুদ্রিক যাত্রা পলিচি হ'ল এনেকুৱা এটা সমুদ্রী বীমা পলিচি যিটো সময় নির্বিশেষে এটা নির্দিষ্ট সামুদ্রীক যাত্রাৰ কাৰণে বৈধ হয়। এই ক্ষেত্রত সামুদ্রিক যাত্রাৰ আৰম্ভণিৰ লগে লগে বিপদাশংকা সংলগ্ন হয় আৰু যাত্রা অন্ত হোৱাৰ লগে লগে বিপদাশংকাৰ অৱসান ঘটে। সামুদ্রিক যাত্রা পলিচিত বীমাকৃত বিপদাশংকা অর্থাৎ তাৰ পৰিসৰ সঠিকভাৱে বর্ণনা কৰাটো বাধ্যতামূলক। যাত্রা আৰম্ভ হোৱা বন্দৰ আৰু যাত্রাৰ অৱসান ঘটিবলগীয়া বন্দৰৰ নির্দিষ্টকৰণৰ জৰিয়তে সেই কামটো কৰা হয়।

যেতিয়া চুক্তিটো বিষয়বস্তুৰ (জাহাজেৰে কঢ়িওৱা সামগ্রী) নির্দিষ্ট সময়লৈকে সুৰক্ষা বা নিশ্চয়তা দিবলৈ কৰা হয়। তেনেকুৱা প'লিচিক ম্যাদী প'লিচি বুলি কোৱা হয়। একেটা প'লিচিৰ অধীনত সামুদ্রিক যাত্রা আৰু ম্যাদ দুয়োটাৰ বাবে চুক্তি অন্তর্ভুক্ত কৰিব পাৰি। এটা ম্যাদী প'লিচি যিটো এবছৰ বা বাৰ মাহতকৈ অধিক সময়ৰ কাৰণে কৰা হয় অবৈধ।

মিশ্রিত প'লিচি ঃ এটা সমুদ্রী বীমা প'লিচি যিয়ে উপভোক্তাসকলৰ সামুদ্রিক যাত্রা আৰু ম্যাদী দুয়োটাৰে সুবিধা প্রদান কৰে, তাক মিশ্রিত পলিচি বুলি কোৱা হয়।

মূল্য নির্ধাৰিত প'লিচি ঃ এনেকুৱা ধৰণৰ পলিচিত জাহাজ আৰু তাত পৰিবাহিত সামগ্রীৰ আগতীয়াকৈ মূল্যায়ন কৰি প'লিচিৰ নথি-পত্রত উল্লেখ কৰি দিয়া হয়, যাতে জাহাজ আৰু সামগ্রীৰ লোকচান হ'লে কিমান ক্ষতিপূৰণ দিবলগীয়া হ'ব সেইটো স্পষ্ট হৈ পৰে। সমুদ্রী বীমা আইন, ১৯৬৩ ৰ ১৮ নং অনুচ্ছেদত দিয়া নিয়মাৱলী অনুসৰি সেই মূল্য নির্ধাৰণ কৰিব লাগে।

অ-মূল্যাংকিত প'লিচি ঃ এনেকুৱা ধৰণৰ সমুদ্রী বীমা প'লিচিত জাহাজ আৰু পৰিবাহিত সামগ্রীৰ মূল্যাংকন আগতীয়াকৈ কৰা নহয় বা পলিচি নথি-পত্রত উল্লেখ কৰা নহয়। সেই কাৰণে, জাহাজ আৰু সামগ্রীৰ লোকচানৰ ক্ষতিপূৰণ তাৰ অনুসন্ধান আৰু মূল্যাংকনৰ পিছতহে নির্ধাৰণ কৰা হয়। আধুনিক প্রথাত এনেধৰণৰ প'লিচিৰি অস্তিত্ব বিৰল।

বন্দৰ বিপদাশংকা প'লিচি ঃ এই ধৰণৰ সমুদ্রী বীমা প'লিচি বন্দৰত আস্থান কৰা জাহাজক সুৰক্ষা দিয়াৰ উদ্দেশ্যে লোৱা হয়।

জুৱা বা বাজী সম্বন্ধীয় প'লিচি ঃ এটা জুৱা বা বাজী সম্বন্ধীয় প'লিচিত ক্ষতিপূৰণৰ বাবে কোনোধৰণৰ স্থিৰ বা নির্দিষ্ট চর্ত বা চুক্তি আগতীয়াকৈ কৰা নাথাকে। যদি বীমা কোম্পানীয়ে লোকচানটো ক্ষতিপূৰণ দিয়াৰ যোগ্যতা বিচাৰি পায় তেন্তে ক্ষতিপূৰণ দিয়ে অন্যথা নিদিয়ে।

অস্থায়ী প'লিচি ঃ এটা সমুদ্রী বীমা প'লিচি য'ত মাত্র দাবী বা ক্ষতিপূৰণৰ পৰিমাণৰে নির্দিষ্ট কৰা থাকে আৰু বেলেগ সকলোধৰণৰ তথ্যসমূহ জাহাজৰ যাত্রা আৰম্ভ হোৱালৈকে উনুকিয়াই দিয়া নহয়, তেনেকুৱা প'লিচিক অস্থায়ী প'লিচি বুলি কোৱা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ঃ সমুদ্রী বীমাৰ সংজ্ঞা দিয়া।

.....

.....

৯.৯ অগ্নিবীমাৰ ধাৰণা আৰু বৈশিষ্ট্যসমূহ (CONCEPT AND FEATURES OF FIRE INSURANCE)

অগ্নিবীমা মানে হ'ল জুইৰ পৰা হোৱা যিকোনো লোকচানৰ বিপৰীতে লোৱা বীমা। বীমা আইনৰ 2 (6A) নং অনুচ্ছেদত অগ্নিবীমাৰ সজ্ঞা এনেদৰে দিয়া হৈছে— 'অগ্নিবীমা ব্যৱসায় মানে হ'ল কিছুমান চুক্তি যিবোৰ জুইৰ পৰা বা তাৰ ঘটনাক্ৰমে হোৱা লোকচানৰ পৰা সুৰক্ষা দিয়া অথবা বিপদাশংকাসমূহ যিবোৰ সাধাৰণতে অগ্নিবীমা পলিচিত অন্তৰ্ভুক্ত কৰা হয় সেইবোৰৰপৰা সংঘটিত হোৱা লোকচানৰ পৰা প্ৰতিৰক্ষা দিবলৈ কৰা হয়। অৱশ্যে বেলেগ ব্যৱসায়ৰ ফলস্বৰূপে হোৱা লোকচানৰ পৰা সুৰক্ষা অগ্নিবীমাৰ অধীনত নাহে।'

জুই বা অগ্নি মানে কি (What is 'Fire')?

জুই শব্দটোৰ অর্থ আমি আক্ষৰিক আৰু সৰবৰহী বা জনপ্ৰিয় দুটা প্ৰসংগতে ব্যাখ্যা কৰিব পাৰো। কিবা এটা যেতিয়া জলে তেতিয়া তাত আমি জুইৰ অস্তিত্ব বিচাৰি পাওঁ। ইংলেণ্ডৰ বিচাৰ শুনানিসমূহত কোৱা হৈছে যে যেতিয়া কিবা এটাৰ দহন হয় বা প্ৰজ্বলন হয়, তেতিয়াহে জুইৰ অস্তিত্ব থাকে অন্যথাই নাথাকে। ষ্টেন্‌লি বনাম ৱেষ্টার্ন ইঞ্চুৰেঞ্চ কোম্পানী (Stanley Vs Western Insurance Company) ৰ শুনানীত কোৱা হৈছে যে জুইয়ে উত্তাপ আৰু পোহৰ দুয়োটা সৃষ্টি কৰে আৰু তাৰে অকল এটাৰ উপস্থিতিয়ে জুই নুবুজায়। কেৱল আলোকিত কৰা কার্যই জুই নুবুজায়। কিন্তু যদি সেই আলোকে কিবা এটা দহন কৰে, তেন্তে সেই লোকচানটো অগ্নিবীমা পলিচিয়ে সামৰি ল'ব পাৰে। বৈদ্যুতিক ক্ষেত্ৰতো সেই একেটা কথাই প্ৰযোজ্য হয়।

অগ্নিবীমাৰ বৈশিষ্ট্যসমূহ (Characteristics of Fire Insurance) ঃ

- অগ্নিবীমা হ'ল এটা ক্ষতিপূৰণৰ চুক্তি। বীমা কোম্পানীয়ে ইয়াত কেৱল লোকচানৰ মূল্যটোহে ক্ষতিপূৰণ দিয়াৰ বাবে বাধ্য। যদি কোনো লোকচান নহয় তেন্তে বীমা কোম্পানী কোনোধৰণৰ দায়বদ্ধতা নাথাকে। আনকি জুই সংঘটিত হ'লেও বীমা কোম্পানীয়ে ক্ষতিপূৰণ দিব নালাগে।
- অগ্নিবীমা হ'ল এটা চৰম গুণসম্পন্ন বিশ্বাসৰ চুক্তি। বীমাধাৰক আৰু বীমা কোম্পানী উভয়ে তেওঁলোকৰ জ্ঞাত সকলোধৰণৰ গুৰুত্বপূৰ্ণ তথ্যসমূহ সম্পূৰ্ণৰূপে প্ৰকাশ কৰিব লাগে।
- অগ্নিবীমা প'লিচি সাধাৰণতে এবছৰৰ কাৰণে কৰা হয়। প'লিচিৰ চর্ত অনুসৰি এইটো নৱীকৰণ কৰিব পাৰি।
- বীমাৰ চুক্তি এটা প'লিচিৰ জৰিয়তে ৰূপায়িত কৰা হয় যাক আমি ফায়াৰ প'লিচি বুলি কওঁ। তেনেকুৱা প'লিচিবিলাকে সাধাৰণতে নির্দিষ্ট সম্পত্তিবোৰ এটা নির্দিষ্ট সময়ৰ বাবে বীমাৰ অধীনত সামৰি লয়।
- এটা অগ্নিবীমা প'লিচি তেতিয়াহে বৈধ হয় যদিহে বীমাধাৰকজনৰ বীমাই সামৰি লোৱা সম্পত্তিটোৰ ওপৰত বীমাযোগ্য স্বার্থ থাকে। তেনেকুৱা বীমাযোগ্য স্বার্থ লোকচান সংঘটিত হোৱা সময়ত অস্তিত্বত থকাটো জৰুৰী। ইংলেণ্ডৰ বিচাৰ শুনানিসমূহত এইটো কোৱা হৈছে যে তলত উল্লেখ কৰা ব্যক্তিসকলৰহে অগ্নিবীমাৰ বাবে বীমাযোগ্য স্বার্থ

থাকে— মালিক, ভাৰাতীয়া, বাহকৰ সৈতে আমানতদাৰ, বন্ধক আৰু ভাৰপ্রাপ্তসকল।

- যেতিয়া এটা সম্পত্তিৰ কাৰণেই বেলেগ বেলেগ প'লিচি লোৱা হয়। তেতিয়া প্রত্যেক বীমা কোম্পানীয়ে এটাই আনটোৰ পৰা অংশদান লোৱাৰ অধিকাৰ থাকে। যেতিয়া লোকচান সংঘটিত হয় আৰু তাৰ ক্ষতিপূৰণ দিয়া হয়, তেতিয়া বীমা কোম্পানীয়ে বীমা ধাৰকৰ সকলোবোৰ অধিকাৰ আৰু স্বার্থত প্রতিষ্ঠাপিত হয়। বীমা কোম্পানীয়ে বিপদাশংকাৰ এটা অংশৰ পুনৰ বীমা কৰিব পাৰে।
- অগ্নিবীমা প'লিচিয়ে জুইয়ে নিকটৱর্তী কাৰক হিচাপে সংঘটিত কৰা লোকচান সামৰি লয়। ইয়াত জুইৰ পৰা হোৱা লোকচান শব্দটোৰ ব্যাখ্যা উদাৰ দৃষ্টিভংগীৰে কৰা হয়। উদাহৰণস্বৰূপে এজনী তিৰোতাই তেওঁৰ কিছুমান আ-অলংকাৰ জুইশালত কয়লাৰ তলত লুকাই থলে। পিছত তেওঁ সেই অলংকাৰখিনিৰ কথা পাহৰি গ'ল আৰু জুইশালত জুই লগাই দিলে। আ-অলংকাৰবোৰ ধ্বংস হৈ গ'ল। বিচাৰত এইটো কোৱা হ'ল যে তেওঁ অগ্নিবীমা প'লিচিৰ অধীনত লোকচানৰ ক্ষতিপূৰণ উদ্ধাৰ কৰিব পাৰে।
- অগ্নিবীমা প'লিচিৰ অধীনত একো উদ্ধাৰ কৰিব নোৱাৰি যদিহে বীমা ধাৰকে ইচ্ছাকৃত জুই সংযোগ কৰিছিল। তেনেকুৱা ক্ষেত্রত বীমাধাৰকজনক অপৰাধিক গোচৰত অভিযুক্ত কৰিব পাৰি।
- অগ্নিবীমা প'লিচিবোৰত সাধাৰণতে এটা চর্ত থাকে যে বীমা কোম্পানী ক্ষতিপূৰণৰ বাবে দায়বদ্ধ নহয় যদিহে জুই সংঘটিত হোৱাৰ কাৰণ গোষ্ঠী সংঘর্ষ, সামাজিক অশান্তি, যুদ্ধ-বিগ্রহ বা বিস্ফোৰণ ইত্যাদি হয়। নির্দিষ্ট প্রত্যাশাৰ অনুপস্থিতিত বীমা কোম্পানীয়ে জুইৰ পৰা হোৱা সকলো ধৰণৰ লোকচানৰ ক্ষতিপূৰণ দিবলৈ দায়ী, কাৰণ যিয়েই নহওক।
- স্বত্ব হস্তান্তৰ ঃ ইংৰাজী আইনৰ মতে অগ্নিবীমাৰ পলিচিৰ স্বত্ব হস্তান্তৰ কৰিবলৈ বীমা কোম্পানীৰ সন্মতিৰ প্রয়োজন। ভাৰতবর্ষত কিন্তু তেনেকুৱা সন্মতিৰ প্রয়োজন নহয় আৰু প'লিচিটো ঘটনাক্রমে বাচি লোৱা (Chose-in-action) হিচাপে সম্পত্তিৰ হস্তান্তৰ আইনৰ অধীনত হস্তান্তৰ কৰিব পাৰি। যেতিয়া বীমা কোম্পানীক জাননী প্রেৰণ কৰা হয়, তেতিয়া তেওঁ সন্মত হ'বলৈ বাধ্য। কিন্তু হস্তান্তৰিত ব্যক্তিজনে (assignee) লোকচানৰ ক্ষতিপূৰণ উদ্ধাৰ কৰিব নোৱাৰে যদিহে লোকচান সংঘটিত হোৱা সময়ত সম্পত্তিটোৰ ওপৰত তেওঁৰ বীমাযোগ্য স্বার্থ নাথাকে। এজন অচিনাকি ব্যক্তিয়ে অগ্নিবীমা প'লিচিৰ অধীনত গোচৰ তৰিব নোৱাৰে।
- ক্ষতিপূৰণৰ পৰিশোধ ঃ অগ্নিবীমা প'লিচিসমূহত সাধাৰণতে এটা দফা থাকে য'ত কোৱা থাকে যে যেতিয়াই জুই সংঘটিত হয়, বীমা কোম্পানীক তাৎক্ষণিকভাৱে জাননী দিব লাগে যাতে কোম্পানীটোৱে সম্পত্তিৰ অৱশেষখিনি নষ্টোদ্ধাৰ কৰিবলৈ পদক্ষেপ ল'ব পাৰে তথা লোকচানৰ পৰিসৰ নির্ধাৰণ কৰিব পাৰে। বীমা কোম্পানীৰ লগত লোকচানৰ মূল্যায়ন কৰিবলৈ বিশেষজ্ঞসকল থাকে। যদি কোনো এটা প'লিচিত বীমাধাৰকজনে সম্পত্তিটোৰ অধিক মূল্যায়ন কৰা থাকে, তেন্তে তেনেকুৱা প'লিচি প্রৱঞ্চনা বা ছলনাৰ অধীনত বর্জন কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্রশ্ন নং ৮ঃ অগ্নিবীমাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

.....

.....



৯.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- সকলোধৰণৰ বীমাৰ লক্ষ হ'ল ক্ষতিগ্রস্ত ব্যক্তিসকলক সহায়ৰ হাত আগবঢ়োৱা।
- বীমাৰ চুক্তিত প্রধানভাৱে দুটা দল থাকে— এটা হ'ল বীমাকৃত, যিজনে কোনো এটা বিপদাশংকাৰ পৰা সুৰক্ষা বিচাৰে আৰু আনটো বীমাকাৰক বা বীমা কোম্পানী যিয়ে তেনেকুৱা ব্যক্তিক কিছুমান অঘটনত সংঘটিত হোৱা বিত্তীয় লোকচানৰ পৰা সুৰক্ষা দিয়ে।
- বীমাধাৰকে সুৰক্ষা দিয়াৰ বাবদত প্রতিদান হিচাপে যি লয় তাক 'প্রিমিয়াম' বুলি কোৱা হয়। যিটো নথি-পত্রত চুক্তিৰ চর্তসমূহ থাকে তাক 'বীমা প'লিচি' বুলি কোৱা হয়।
- বীমা গুৰুত্বপূর্ণ কাৰণ ই নিৰাপত্তা দিয়ে, ব্যৱসায়ৰ বিপদাশংকা হ্রাস কৰে। দেশৰ অর্থনৈতিক উন্নতিৰ গতি তীব্র কৰে ইত্যাদি।
- বীমা কিছুমান সিদ্ধান্তসমূহৰ ওপৰত আধাৰিত যেনেকে, চৰম গুণসম্পন্ন আস্থাৰ সিদ্ধান্ত, ক্ষতিপূৰণৰ সিদ্ধান্ত। বীমাযোগ্য স্বার্থৰ সিদ্ধান্ত। অংশদানৰ সিদ্ধান্ত, প্রতিস্থাপনৰ সিদ্ধান্ত, নিকটৱর্তী কাৰণৰ সিদ্ধান্ত। লোকচানৰ উপশমনৰ সিদ্ধান্ত।
- পুনৰ বীমা আৰু দ্বৈত বীমাৰ মাজৰ পার্থক্য।
- জীৱন বীমা, সমুদ্রী বীমা আৰু অগ্নিবীমাৰ গুৰুত্ব।



৯.১১ অধিক জানিবলৈ (FURTHER READINGS)

১) Kuachhal M. C. (2009). Mercentile Law, Vikash Publishing Hause Pvt. Ltd. New Delhi.

৯.১২ অগ্ৰগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্ৰশ্নৰ উত্তৰঃ বীমাৰ উদ্দেশ্য হ'ল পৰস্পৰ সহযোগী ব্যক্তিসকলৰ মাজত পৰস্পৰে এক যৌথ পুঁজিত অংশাদানৰ জৰিয়তে লোকচানৰ বিতৰণ কৰি বীমাকৃতজনক তেওঁ সন্মুখীন হ'ব পৰা বিপদাশংকাৰ পৰা সুৰক্ষা প্ৰদান কৰা।

২ নং প্ৰশ্নৰ উত্তৰঃ (ক) বীমাই নিৰাপত্তা দিয়ে।

(খ) বীমাই ব্যৱসায়ৰ বিপদাশংকা আৰু লোকচান হ্ৰাস কৰে।

৩ নং প্ৰশ্নৰ উত্তৰঃ এটা বীমাৰ চুক্তি চৰম গুণসম্পন্ন আস্থাৰ ভেটিত আধাৰিত, যিটো দুয়োটা গোট অৰ্থাৎ বীমাকৃত আৰু বীমা কোম্পানীয়ে পৰস্পৰৰ প্ৰতি পালন কৰিব লাগে। যদি এটা গোটে আনটো গোটক গুৰুত্বপূৰ্ণ তথ্যসমূহ সদৰী নকৰে, যিবোৰে বেলেগ গোটটো বীমা চুক্তিত সোমোৱাৰ সিদ্ধান্তক প্ৰভাৱিত কৰিব পাৰে, তেন্তে বেলেগ গোটে সেই চুক্তি বৰ্জন কৰিব পাৰে।

৪ নং প্ৰশ্নৰ উত্তৰঃ জীৱন বীমাক বাদ দি বাকী সকলোবোৰ বীমা চুক্তিয়ে হ'ল ক্ষতিপূৰণৰ চুক্তি। ইয়াৰ অৰ্থ হ'ল যেতিয়া বীমাৰ বিষয় বস্তুৰ কিবা লোকচান বা হানি হয়, তেতিয়া বীমাকৃতজনে সৰ্বাধিক নিশ্চিত মূল্য সাপেক্ষে আচল লোকচানৰ পৰিমাণহে বীমা কোম্পানীৰ পৰা উদ্ধাৰ কৰিব পাৰে।

৫ নং প্ৰশ্নৰ উত্তৰঃ যেতিয়া এটা বীমা কোম্পানীৰ অনুভৱ হয় যে ই দায়িত্ব লোৱা বিপদাশংকাৰ পৰিমাণ বেচি ডাঙৰ, তেতিয়া ই নিজকে বেলেগ এটা বীমা কোম্পানীৰ অধীনত বীমাকৃত কৰাই ল'ব পাৰে। ইয়াকে পুনৰ বীমা কোৱা হয়।

৬ নং প্ৰশ্নৰ উত্তৰঃ পুনৰ বীমাৰ ব্যৱসায়টো আচল বীমা কোম্পানী আৰু বেলেগ বীমা কোম্পানীৰ মাজত হয়। দ্বৈত বীমাৰ ক্ষেত্ৰত, বীমাকৃতজনে একেটা বিষয়বস্তু এটাতকৈ অধিক বীমা কোম্পানীৰ লগত বা একেটা বীমা কোম্পানীৰ লগত এটাতকৈ অধিক বীমা কোম্পানীৰ লগত বা একেটা বীমা কোম্পানীৰ লগত এটাতকৈ অধিক বীমা পলিচিৰ অধীনত বীমাকৃত কৰে।

পুনৰ বীমাত, বীমাকৃতজনে লোকচানৰ কোনো অংশই পুনৰ বীমা কোম্পানীৰ পৰা দাবী কৰিব নোৱাৰে। দ্বৈত বীমাত, বীমাকৃত ব্যক্তিজনে সৰ্বাধিক নিশ্চিত মূল্য সাপেক্ষে, আচল লোকচানৰ পৰিমাণ প্ৰত্যেক বীমা কোম্পানীৰ পৰা দাবী কৰিব পাৰে।

৭ নং প্ৰশ্নৰ উত্তৰঃ সমুদ্ৰী বীমা আইন, ১৯৬৩ৰ ৩ নং অনুচ্ছেদ অনুসৰি সমুদ্ৰী বীমা হ'ল এটা চুক্তি যাৰ দ্বাৰা বীমা কোম্পানীয়ে আশাসিত ব্যক্তিজনক ক্ষতিপূৰণ দিয়াৰ দায়িত্বভাৰ গ্ৰহণ কৰে। চৰ্ত সন্মত প্ৰকাৰে আৰু চৰ্ত সন্মত পৰিসৰলৈ। সেই আশ্বাসনটো বীমা

কোম্পানীয়ে সামুদ্রীক লোকচান বা সামুদ্রিক অভিজ্ঞতাৰ ফল স্বৰূপে হোৱালোকচানৰ বিপৰীতে দিয়ে।

৮ নং প্ৰশ্নৰ উত্তৰঃ (ক) অগ্নিবীমা এটা ক্ষতিপূৰণৰ চুক্তি।

(খ) অগ্নিবীমা এক চৰম গুণসম্পন্ন আস্থাৰ চুক্তি।



৯.১৩ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

প্ৰশ্ন ১ঃ বীমাৰ সংজ্ঞা দিয়া।

প্ৰশ্ন ২ঃ বীমাৰ গুৰুত্ব আলোচনা কৰা।

প্ৰশ্ন ৩ঃ বীমাৰ সিদ্ধান্তসমূহৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন ৪ঃ জীৱন বীমাৰ গুৰুত্ব আলোচনা কৰা।

প্ৰশ্ন ৫ঃ দ্বৈত বীমা আৰু পুনৰ বীমাৰ মাজৰ পাৰ্থক্য লিখা।

প্ৰশ্ন ৬ঃ অগ্নিবীমাৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

*** ***** ***